2024

অসমীয়া

ASMAC 101

# অসমীয়া ভাষাৰ গঠন, বিকাশ আৰু ইয়াৰ আনুসংগিক অধ্যয়ন

পূৰ্ণাঙ্ক – ৮০

সময় – তিনি ঘণ্টা

*The figures in the margin indicate full mark for the questions:*

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া **1×10=10**

১। কামৰূপী প্ৰাকৃতত “ সিঙ্গড়ি” শব্দটোৰ অসমীয়া অৰ্থ কি ?

২। “Inscriptions of Ancient Assam” গ্ৰন্থ খনৰ লিখকৰ নাম ।

৩। ‘টাই-খামতি’ আৰু ‘টাই-ফাকিয়াল’ ভাষা কোনটো ভাষা পৰিয়ালৰ অন্তৰ্গত ভাষা ।

৪। অসমীয়া ভাষাৰ যিকোনো দুটা নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা

৫। ককবৰক কোন ৰাজ্যত প্ৰচলিত ভাষা ?

৬। নেফামিজ কোন ৰাজ্যৰ সংযোগী ভাষা ?

৭। “ব্যঞ্জন এটাৰ পাচত থকা -ই বা -উ একোটা ব্যঞ্জনটোৰ আগতে পূৰ্বোচ্চাৰণ বা আগতীয়াকৈ উচ্চাৰণ কৰাক ভাষাবিজ্ঞানত কি নামেৰে জনা যায় ।

৮। “জেলিয়াং” শব্দটোৰে কোন দুটা নগা জনগোষ্ঠীক বুজায় ।

৯। বৰো শাখাৰ ভাষাত মাটিবাচক সাধাৰণ অনুপদ কি?

১০। ৰাজবংশী ভাষাক আন কি নামেৰে জনা যায়?

চমু টোকা লিখা **6×5=30**

১১। লিঅ'নাৰ্ড ব্লুমফিল্ডৰ সামাজিক ভাষাৰ স্তৰ

১২। নামনি অসমৰ উপভাষাৰ বিভিন্নতা

১৩। নাগামিজ ভাষা

১৪। মাগধী প্ৰাকৃত

১৫। তলৰ যিকোনো দুটা ব্যঞ্জনৰ উৎস দেখুওৱা-

ক,খ,ঘ,গ,চ,জ

১৬। অসমীয়া ভাষাত অষ্ট্ৰিক উপাদান

১৭। অসমবৰ্মী শাখাৰ ভাষা

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা **10×4=40**

১৮। অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মত সমূহ উল্লেখ কৰি তুমি গ্ৰহণযোগ্য বুলি বিচাৰ কৰা মতৰ সম্পৰ্কে নিজস্ব মতামত আগবঢ়োৱা ।

১৯। অসমীয়া ভাষাৰ শব্দ সম্ভাৰত আৰ্যভিন্ন ভাষাৰ উপাদান সম্পৰ্ক এটি প্ৰবন্ধ যুগুত কৰা ।

২০। অসমীয়া বৰ্ণ মালাৰ যিকোনো পাঁচটা স্বৰধ্বনিৰ উৎস সম্পৰ্কে আলোচনা আগবঢ়োৱা ।

২১। অসমীয়া ভাষাই সমগ্ৰ উত্তৰপূৰভাৰতত সংযোগী ভাষা হিচাপে কিদৰে ভূমিকা পালন কৰিছে এই সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা ।

২২। উত্তৰ পূৰ্বাঞ্চলৰ ভাষাগত ক্ষেত্ৰত অসমৰ ভাষা সমূহে কিদৰে সহাৰস্থান লাভ কৰিছে বিৰৰি লিখা।

২৩। কামৰূপী উপভাষাৰ ভাষাতাত্বিক বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

****

2024

অসমীয়া

ASMAC 102

অসমীয়া সাহিত্যৰ বুৰঞ্জী

পূৰ্ণাঙ্ক – ৮০

সময় – তিনি ঘণ্টা

***The figures in the margin indicate full mark for the questions:***

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া **1×10=10**

১। ৰামধেনু আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

২। 'হে অৰণ্য, হে মহানগৰ' কবিতাসংকলন খনৰ কবি কোন ?

৩। 'এৰিষ্টটোলৰ কাব্য জিজ্ঞাসা' গ্ৰন্থখন কোনে ৰচনা কৰিছিল ?

৪। অঃ ভাঃ উঃ সাঃ ৰ সম্পূৰ্ণ নামটো লিখা।

৫। বনকুঁৱৰী কবিতাটো জোনাকীৰ কোন সংখ্যাত প্ৰকাশিত হৈছিল?

৬। গুণাভিৰাম বৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি ?

৭। আসাম- বিলাসিনী কাকতখন ক'ৰ পৰা প্ৰকাশ হৈছিল ?

৮। ঘোষা-ৰত্নৰ ৰচক কোন ?

৯। বৰগীত সমূহক কোনে 'Holy Songs' বুলি কৈছে ?

১০। জগন্নাথৰ ৰথযাত্ৰা উৎসৱৰ লগত সংগতি ৰাখি শ্ৰীধৰ কন্দলিয়ে ৰচনা কৰা পুথিখনৰ নাম কি ?

চমু টোকা লিখা **6×5=30**

১১। হেমচন্দ্ৰ গোস্বামীৰ কবিতাৰ বৈশিষ্ট্য

১২। গল্পকাৰ বেজবৰুৱা

১৩। আধুনিক অসমীয়া কবিতাত চিত্ৰকল্প

১৪। গীতিকাৰ নিৰ্মলপ্ৰভা বৰদলৈ

১৫। দুৰ্গাবৰী গীতি-ৰামায়ণ

১৬। চৰিত সাহিত্য

১৭। মৌ, আসাম তৰা আৰু ল'ৰা বন্ধু কাকতৰ পৰিচয়জ্ঞাপক আলোচনা কৰা ।

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা **10×4=40**

১৮। অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসত জোনাকী যুগৰ কবিসকলৰ অৱদান সম্পৰ্কত উদাহৰণসহ বৰ্ণনা কৰা।

১৯। কবি নৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কে এটি নিবন্ধ লিখা।

২০। নীলমণি ফুকনৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰা।

২১। বৈষ্ণৱ সাহিত্য সৃষ্টিত শংকৰদেৱৰ ভূমিকা সম্পৰ্কে আলোচনা প্ৰস্তুত কৰা।

২২। ঊনবিংশ শতিকাৰ নৱজাগৰণত গুণাভিৰাম বৰুৱাৰ আৰু হেমচন্দ্ৰ বৰুৱাৰ অৱদান শীৰ্ষক এটি আলোচনা দাঙি ধৰা ।

২৩। 'বুৰঞ্জী' শব্দৰ অৰ্থ কি? বুৰঞ্জীসমূহৰ পৰিচয় জ্ঞাপক আলোচনা দাঙি ধৰি ইয়াৰ সাহিত্যিক মূল্য নিৰূপণ কৰা ।

****

**2024**

অসমীয়া

**ASMAC 103**

অসমৰ সংস্কৃতি

পূৰ্ণাঙ্ক – ৮০

সময় – তিনি ঘণ্টা

*The figures in the margin indicate full mark for the questions:*

তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া **1×10=10**

১। কোন চনত এডৱাৰ্ড টাইলৰে **'Culture'** পদটো ব্যৱহাৰ কৰিছিল?

২। 'মাধুৰ্য আৰু আলোকেই সংস্কৃতি' - উক্ত কথাষাৰ কোনে কৈছিল?

৩। অভিজাত সংস্কৃতিক কি আখ্যা দিয়া হয়?

৪। কমলা কুঁৱৰীৰ গীত কোন শ্ৰেণীৰ লোক সাহিত্য?

৫। ঐনিতম কোন জনগোষ্ঠীৰ লোকগীত?

৬। অসমৰ এবিধ প্ৰাচীন লোকনাট্য পৰম্পৰাৰ নাম লিখা।

৭। নবীন চন্দ্ৰ শৰ্মাই লিখা সংস্কৃতি বিষয়ক যিকোনো এখন গ্ৰন্থৰ নাম লিখা ।

৮। 'চমাংকান' কোন জনগোষ্ঠীৰ লোক উৎসৱ?

৯। 'পাতানি' কোন জনগোষ্ঠীৰ লোক আভৰণ?

১০। 'চিফুং' কোন জনগোষ্ঠীৰ লোকবাদ্য?

চমু টোকা লিখা **6×5=30**

১১। সংস্কৃতি আৰু সমাজ

১২। অসমৰ লোকসাহিত্য

১৩। বিহুকেন্দ্ৰিক লোকাচাৰ

১৪। অসমৰ বাঁহ সংস্কৃতি

১৫। ছগ্ৰামিছাৰা

১৬। আইনাম

১৭। ঢুলীয়া ভাৱৰীয়া

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা **10×4=40**

১৮। সংস্কৃতিৰ সংজ্ঞা নিৰূপন কৰি সংস্কৃতিৰ স্বৰূপ বিশ্লেষণ কৰা।

১৯। লোক সংস্কৃতিৰ ভাগ সমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

২০। অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি - কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰা ।

২১। লোকবাদ্যৰ ভাগ সমূহ উল্লেখ কৰি অসমৰ লোকবাদ্যৰ এটি পৰিচয়মূলক টোকা লিখা ।

২২। অসমৰ ধৰ্মীয় লোক উৎসৱৰ বিষয়ত এটি প্ৰবন্ধ লিখা।

২৩। 'বিশ্বায়নৰ পৰিপ্ৰেক্ষিতত অসমৰ বিহু'- এই শিৰোনামাৰে এটি প্ৰবন্ধ লিখা।

****

**2024**

**অসমীয়া**

**ASMAC 104**

**সাহিত্য সমালোচনা (প্ৰাচ্য আৰু পাশ্চাত্য)**

**পূৰ্ণাংক – ৮০**

**সময় – তিনি ঘণ্টা**

*The figures in the margin indicate full mark for the questions:*

**তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া** **1×10=10**

১। বিশ্বনাথ কবিৰাজে সাহিত্যৰ বিষয়ে কি কৈছে?

২। সাহিত্য শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখা।

৩। উপন্যাসৰ প্লট কি?

৪। ধ্বনিবাদৰ প্ৰৱক্তা কোন ?

৫। 'বাক্যং ৰসাত্মকং কাব্যম্' কোনে এইদৰে কৈছে?

৬। অনুভাৱ কাক বোলে?

৭। অনুমিতিবাদৰ প্ৰৱৰ্তক কোন?

৮। জুগুপ্সা কোন ৰসৰ স্থায়ী ভাৱ?

৯। প্লেটোৱে কোনখন গ্ৰন্থত প্ৰথম অনুকৰণ সম্বন্ধে আলোচনা কৰিছিল?

১০। ইছকিলাছ কোন?

**চমু টোকা লিখা** **6×5=30**

১১। কবিতাৰ ভাষা

১২। চুটিগল্পৰ আংগিক

১৩। বক্ৰোক্তি

১৪। ধ্বনিৰ প্ৰকাৰ

১৫। ব্যাভিচাৰী ভাৱ

১৬। কেথাৰছিছ

১৭। টি. এছ. এলিয়ট

**তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখা** **10×4=40**

১৮। সাহিত্য সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্যৰ সমালোচক সকলে আগবঢ়োৱা মতসমূহ আলোচনা কৰা।

১৯। চুটিগল্পৰ উপাদানসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

২০। কাব্যত শব্দ শক্তি বুলিলে কি বুজা ? ইয়াৰ প্ৰকাৰ আৰু প্ৰয়োজনীয়তা শীৰ্ষক আলোচনা যুগুত কৰা ।

২১। নাৰীবাদী সমালোচনাৰ মূল কথাখিনি আলোচনা কৰা।

২২। ৰসৰ সংজ্ঞা লিখা। ভৰতে ৰস সম্পৰ্কে কোৱা কথাখিনি ব্যাখ্যা কৰা।

২৩। ট্ৰেজেডিৰ সংজ্ঞা লিখা। ট্ৰেজেডিৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা।

****